## ছাইক্ল'ল'জি

বিশ্বজুৰি ক'ভিড-১৯ মহামাৰীৰ সংক্ৰমণৰ বাবে এতিয়া সকলোতে একক বাহনৰ জনপ্ৰিয়তা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। একক বাহন হিচাপে চালে সবাতোকৈ সুলভ আৰু প্ৰকৃতি-বান্ধৱ হৈছে ছাইকেল। স্বাস্থ্যৰ ওপৰতো ছাইকেলৰ ইতিবাচক প্ৰভাৱ অনস্বীকাৰ্য। ছাইকেলৰ উপকাৰিতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিভিন্ন দেশত ছাইকেল চলোৱাত উৎসাহ যোগাই অহা হৈছে। ভাৰততো ছুৰাটৰ পৌৰ নিগমে মহানগৰখনৰ অধীনৰ বিদ্যালয়সমূহত 'ছাইক্ল'ল'জি' নামেৰে এবিধ পাঠ্যক্ৰম আৰম্ভ কৰিছে। সম্প্ৰতি আৰ এছ এম এক্সপেৰিমেণ্টেল আৰু ছি ছি শ্বাহ নামৰ দুখন বিদ্যালয়ৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থীক অনলাইনযোগে এই পাঠ্যক্ৰম শিকাই থকা হৈছে। পাঠ্যক্ৰম সম্পূৰ্ণ হোৱাৰ সময়ো কম—মাত্ৰ দহ ঘণ্টা। নেদাৰলেণ্ডছৰ আমষ্টাৰডামৰ 'বাইকছ' নামৰ এটা সংগঠনে সাৰ্বজনীন ছ'ছাইটি আৰু নেচাৰ ক্লাব ছুৰাটে যুটীয়াভাৱে ইংৰাজী, হিন্দী আৰু গুজৰাটী ভাষাত পাঠ্যক্ৰমৰ পাঠ্যপুথিও প্ৰকাশ কৰিছে। বিদ্যালয় খোলাৰ লগে লগেই সেইসমূহ বিতৰণ কৰা হ'ব। 'ছাইকেল ফৰ চেঞ্জ চেলেঞ্জ' শীৰ্ষক অভিযানৰ অংশৰূপেই এই পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে।

## ভৌতিক উদ্যান

ব্ৰাজিলৰ ছাও পাওলো প্ৰদেশৰ ভিনহেডো চহৰত আছে এখন ভৌতিক পাৰ্ক। চৰাচৰ জগতৰ প্ৰায় সকলো ভৌতিক কৰ্মকাণ্ডকেই ইয়াতে দৰ্শকসকলৰ আগত প্ৰদৰ্শন কৰা হয়। হ'পি হৰি (Hopi Hari) প্ৰমোদ উদ্যান নামে বিখ্যাত এই উদ্যানত দৰ্শকৰ ভ্ৰমণৰ বাবে গাড়ীৰ ব্যৱস্থা কৰা আছে। গাড়ীৰে ঘূৰি ঘূৰি দৰ্শকে চাব পাৰে হাত মেলি আগুৱাই অহা ডাইনী-যখিনী বা কাল্পনিক ভূত। উল্লেখযোগ্য যে ব্ৰাজিলতো কৰ'নাৰ সংক্ৰমণ ভয়াবহ হৈছে। সেয়ে প্ৰশাসনে তলাবন্ধৰ ঘোষণাও কৰিছিল। এতিয়া কিছু মুকলিমূৰীয়াকৈ ঘূৰা-ফুৰা কৰাৰ সুবিধা হৈছে। তাৰ মাজতে প্ৰমোদ উদ্যানখন গাড়ীৰে ভ্ৰমণৰ বাবে দৰ্শনাৰ্থীক অনুমতি দিয়া হৈছে। ২.৭ কিল'মিটাৰ দৈৰ্ঘ্যৰ উদ্যানখন গাড়ীৰে আধাঘণ্টাত ফুৰিব পাৰি। তাত কেৱল ভূত-ভূতুনীৰে যে প্ৰদৰ্শনী হয় তেনে নহয়, ঠায়ে ঠায়ে ডাঙৰ টিভিত ভৌতিক ছবিৰ ভয়লগা দৃশ্যবোৰো দেখুউৱাৰ ব্যৱস্থা কৰা হৈছে। উদ্যানখন মুকলি কৰাৰ লগে লগে বহুদিন ঘৰতে আৱদ্ধ হৈ থকা লোকসকলে উদ্যানলৈ গৈ কিছু আনন্দ উপভোগৰ সুযোগ পাইছে।

## হাতীৰ বাবে গীত

১৯৮৫ চনত শ্ৰীলংকাত জন্মা কাভান (Kaavan) নামৰ হাতীটোৰ জীৱনটো সঁচাকৈয়ে বেচ ঘটনাবহুল। জন্মৰ পাছতে কাভানক শ্ৰীলংকা চৰকাৰে পাকিস্তানক উপহাৰ হিচাপে দিয়ে। তাৰ পাছৰপৰা ইছলামাবাদৰ চিৰিয়াখানাতে কাভানক আৱদ্ধ কৰি ৰখা হয়। তাতেই সুদীৰ্ঘ ৩৫টা বছৰ পাৰ কৰিছে কাভানে। মাজতে বাংলাদেশৰপৰা এজনী হাতী কাভানৰ সংগী হিচাপে অনা হৈছিল যদিও সংগিনীৰ মৃত্যুৰ পাছৰেপৰা কাভান অকলশৰীয়া হৈ পৰে। পাকিস্তানত থকা একমাত্ৰ জীৱিত এছীয় হাতী কাভানৰ অকলশৰীয়া জীৱন, ক্ষুদ্ৰ পৰিসৰৰ বাসস্থান আৰু অযত্নক লৈ পাকিস্তানত ২০১৫ চনৰপৰাই তুমুল আলোড়ন চলি আছে। আমেৰিকাৰ গায়ক 'ছেৰ'-এ কাভানৰ মুক্তিৰ বাবে ব্যাপক প্ৰচাৰ চলায়। অৱশেষত যোৱা ২১ মে'ত পাকিস্তানৰ উচ্চতম ন্যায়ালয়ে কাভানক কেম্ব'ডিয়ালৈ স্থানান্তৰ কৰিববৈলে নিৰ্দেশ দিয়ে। সেই নিৰ্দেশৰ আধাৰতে 'ফ'ৰ পজ' (Four Paws) নামৰ এটা সংগঠন কাভানক স্থানান্তৰৰ বাবে ইছলামাবাদ পাইছেহি। সংস্থাটোৰ হস্তী বিশেষজ্ঞ আমিৰ খলিলে হেনো ফ্ৰেংক ছিনাট্ৰাৰ 'মাই ৱে" নামৰ গীতটো গাই গাই কাভানৰ সৈতে বন্ধুত্ব গঢ়িছে। সংস্থাৰ অন্য বিশেষজ্ঞসকলেও কাভানৰ স্বাস্থ্য পৰীক্ষা অব্যাহত ৰাখিছে।

## মাদ্ৰাছাৰ প্ৰশংসনীয় কাম

বহুতে ভবাৰ দৰে মাদ্ৰাছাবোৰ যে ধৰ্মীয় শিক্ষাৰ কেন্দ্ৰ নহয়, বৰং ইয়াতো অন্য সাধাৰণ বিদ্যালয়ৰ দৰেই বিভিন্ন বিষয়ৰ শিক্ষা আৰু প্ৰশিক্ষণ দিয়া হয়, সেই কথাকে পুনৰবাৰ প্ৰশংসনীয় দৃষ্টান্তৰে প্ৰমাণ কৰিছে মহাৰাষ্ট্ৰৰ এখন মাদ্ৰাছাই। জামিয়া আশ্ৰাফিয়া কাদ্ৰিয়া নামৰ মাদ্ৰাছাখনৰ মুৰব্বী মৌলানা মইন আশ্ৰফ কাদ্ৰিৰ নেতৃত্বত মাদ্ৰাছাখনত আৰক্ষীৰ পদবীত ভৰ্তি হ'বৰ বাবে ছাত্ৰক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই কাৰ্যত স্থানীয় বিধায়ক আৰু একাংশ সমাজকৰ্মীয়েও সহযোগিতা আগবঢ়াইছে। প্ৰায় ২০০ ল'ৰাক প্ৰথমে প্ৰশিক্ষণ দি আৰক্ষীৰ বিভিন্ন পদত মকৰল হ'ব পৰাকৈ সাজু কৰি তোলাৰ আঁচনি মাদ্ৰাছাখনে গ্ৰহণ কৰিছে। এটা ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানৰ সহযোগত এই প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰা মাদ্ৰাছাখনক ধন যোগানৰ বাবে কেইবাজনো চহকী লোকো আগবাঢ়ি আহিছে। মাদ্ৰাছাখনৰ এনে তৎপৰতাই মহাৰাষ্ট্ৰ আৰক্ষীত মুছলমান লোকৰ সংখ্যা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

## অখাদ্যৰ সংগ্ৰহালয়

আপুনি বাৰু অখাদ্য খাই পাইছেনে? যদিহে পাইছে, তেন্তে মনত পেলাওকচোন সেই অখাদ্য কেনে আছিল। ছুইডেনৰ মেলমোত আছে 'ডিছগাষ্টিং ফুড মিউজিয়াম'। তাত ইমানদিনে অদ্ভুত অখাদ্য কিছুমান মনোৰঞ্জনৰ বাবে প্ৰদৰ্শন কৰা হৈছিল। কিন্তু এতিয়া তাত খাদ্যৰ লগতে পানীয়ৰো ব্যৱস্থা কৰা হৈছে। দুটামান নমুনা দিলেই জনা যাব তাত কেনে অখাদ্য আছে। তাত আছে থুৰে প্ৰস্তুত কৰা সুৰা, শৌচালয়ত প্ৰস্তুত কৰা পানীয় আহাৰ আদি। নতুনকৈ আৰম্ভ কৰা পানীয় প্ৰদৰ্শনৰ ব্যৱস্থাৱলীত আছে তিতা সুৰাও। আৰু অন্য কেইবাপ্ৰকাৰৰো অদ্ভুত পানীয় পোৱাৰ ব্যৱস্থা থকা এই সংগ্ৰহালয়টো দুবছৰৰ পূৰ্বে মুকলি কৰা হৈছিল। তাত চীনত ব্যৱহৃত নিগনি পোৱালিৰে প্ৰস্তুত কৰা সুৰা, শিশুৰ বিষ্ঠা আৰু চাউলেৰে প্ৰস্তুত কৰা ঔষধি পানীয়, দক্ষিণ কোৰিয়াত ব্যৱহাৰ কৰা মানুহৰ বিষ্ঠাযুক্ত সুৰা আদিও পোৱা যায়। আনকি তাত তিমি, গৰু আদিৰ অণ্ডকোষৰপৰা আৰম্ভ কৰি ভেৰাৰ বিষ্ঠালৈকে খোৱাৰ ব্যৱস্থা আছে। মজাৰ কথাটো হ'ল সংগ্ৰহালয়টোলৈ যোৱাৰ পথতে এখন ফলকত লিখা আছে এইবুলি—'সাৱধান, ইয়াত আপোনাৰ বমি হ'ব পাৰে'।

## বসন-নীতিৰ পৰিৱৰ্তন

এই পৃথিৱী যেনে বিচিত্ৰ, তেনেকুৱাই বিচিত্ৰ ইয়াৰ মানুহ। মানুহেই অনেক কাম-কাজেৰে নিজৰ বিচিত্ৰ স্বভাৱৰ প্ৰমাণ দিয়ে। আমেৰিকাৰ দক্ষিণ ফ্লৰিডাৰ অপা-লকা (Opa-locka) নামৰ চহৰখনৰে এটা বিচিত্ৰ নিয়মৰ কথা ক'ব খুজিছোঁ। ২০০৭ চনত চহৰখনৰ আয়ুক্তই নিয়ম কৰি দিছিল যে কোনো লোকে অন্তৰ্বাস দেখা পোৱাকৈ পেণ্ট পিন্ধিলে তেওঁক ৰাজহুৱাকৈ ভৰ্ৎসনা কৰা হ'ব। এই নিয়ম পুৰুষ-মহিলা উভয়ৰে ক্ষেত্ৰত প্ৰযোজ্য হৈছিল। সেই মৰ্মে কঁকালৰ তলত কোনেও পেণ্ট পিন্ধিব নোৱাৰিছিল। কিন্তু অলপতে আয়ুক্তই ভোটৰ যোগেদি সেই ১৩ বছৰীয়া নিয়মৰ পৰিৱৰ্তন ঘটায়। এতিয়া অন্তৰ্বাস দেখাকৈ পেণ্ট পিন্ধিলেও কোনো লোকক দোষী সাব্যস্ত কৰা নহ'ব। মন কৰিবলগীয়া কথাটো হ'ল ২০০৭ চনত নগৰখনত সেই নিয়ম গৃহীত হোৱাৰ পাছতে সমগ্ৰ নগৰতে ডাঙৰ ডাঙৰ ফলকযোগে প্ৰশাসনৰ সিদ্ধান্তৰ কথা সোঁৱৰাই দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এতিয়া সেই ফলকবোৰো আঁতৰাব লাগিব।